# অসম বিধান সভা
## ২০২৬ চনৰ ১৫ জুলাইত উত্তৰ দিবলগীয়া
## লিখিত প্ৰশ্ন নং – ৩৯৮

**বিষয়ঃ Flash Flood সম্পৰ্কে**

**শ্ৰীআফতাব উদ্দিন মোল্লা, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) মেঘালয়ৰ পৰা বৈ অহা Flash Flood প্ৰতি বছৰে বাৰিষা কালত জলেশ্বৰ সমষ্টিৰ মাজেৰে বৈ যোৱা জিঞ্জিৰাম নদীৰ পাৰ্শ্বৱৰ্তী এলেকা গুমাইঝাৰ, চাটাইমাৰী, দামৰিবাছা, হলদিবাৰী, শিমলাবাৰী, ধুমেৰঘাট, চাকলি, বাউছাটাৰী আদি অঞ্চল প্লাবিত কৰি পেলায়। এই Flash Flood ৰ ফলত বহুতো ঘৰ-বাৰী, শিক্ষানুষ্ঠান, কৃষিদ্ৰব্য, ৰাস্তা-ঘাট দলং আদিৰ বিস্তৰ ক্ষতি সাধন কৰে। এই বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, ইয়াৰ নিৰাময়ৰ কাৰণে চৰকাৰৰ হাতত কোনো পৰিকল্পনা আছে নে? যদি আছে, কেতিয়া ইয়াৰ নিৰাময়ৰ ব্যৱস্থা হ'ব?

(গ) নদীখনৰ দুয়োপাৰে স্থায়ী প্ৰতিৰোধৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা ল'ব নে?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**–উত্তৰ–**

(ক) হয়, এই বিষয়ে জলসম্পদ বিভাগ অৱগত।

(খ) জিঞ্জিৰাম নদীৰ দ্বাৰা সৃষ্টি হোৱা Flash Flood ৰ প্ৰতিৰোধ তথা বান খহনীয়া প্ৰতিৰোধৰ বাবে যাৱতীয় জৰীপ কাৰ্য্য চলাই থকা হৈছে আৰু বাৰিষাৰ পিছত প্ৰয়োজনীয় প্ৰাককলন প্ৰস্তুতিৰ কাম হাতত লোৱাৰ বাবে বিভাগীয় ভাৱে বিবেচনা কৰা হৈছে।

(গ) জিঞ্জিৰাম নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ কাৰণে লক্ষীপুৰ অঞ্চলত NABARD RIDF XXX ৰ অধীনত "Protection of L/B of river Jinjiram opposite Smashan ghat at Lakhipur Town from the erosion of river Jinjiram for the year 2024-25" নামৰ ১.৬৭ কোটি টকা মূল্যৰ এখন আঁচনিৰ কাম চলি আছে আৰু আঁচনি খনৰ ৭৬% কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। লগতে ধুমেৰঘাট আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলক গৰাখহনীয়া পৰা ৰক্ষা কৰিবলৈ "Immediate measures to protect Dhumerghat H.S School and State Dispensary from the erosion of river Ghagua for the year 2022-23 under SDRF Section 50 DM Act-2005" নামৰ ১.২০ কোটি টকা মূল্যৰ আঁচনি এখনও ইতিমধ্যে সফলতাৰে ৰূপায়ন কৰা হৈছে।

ইয়াৰ উপৰিও হলদিবাৰী, গুমাইঝাৰ, যোগমাৰী, চাটাইমাৰী আৰু ৰংছাই বজাৰ আদি অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধ কৰিবলৈ বিভাগীয় জৰীপ কাৰ্য চলাই পৰৱৰ্তী সময়ত আঁচনিৰ প্ৰাককলন প্ৰস্তুতিৰ কাম হাতত লোৱাৰ বাবে বিবেচনা কৰা হৈছে।

(উক্ত প্ৰশ্নৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে **NeVA** পৰ্টেলত দাখিল কৰা হৈছে)

***************